আহাচোন  আহা কানপাতি শুনা

ক’ম আমি পোষণৰ দৰকাৰী কথা

ক’ম আমি পোষণৰ দৰকাৰী কথা  আহাচোন  আহা

স্বাস্থ্যৰ লোৱা যদি সচাই যতন অৱহেলা নকৰিবা কাহানিও পোষণ

পোষণৰ নীতিবোৰ কৰিলে পালন

জিলিকি উঠিব সবাৰো জীৱন

পুষ্টিহীনতা কৰি সমূল বিনাশ

পুষ্টিহীনতা কৰি সমূল বিনাশ

গঢ়ো আহা সবে মিলি নিৰোগী সমাজ

গঢ়ো আহা সবে মিলি নিৰোগী সমাজ

আহাচোন আহা

মাতৃ অমৃতেই প্ৰথম পোষণ

তাকে জানি সেইদিশে দিবা  সবেমন

গৰ্ভৱতী প্ৰসূতি শিশু কিশোৰী সুস্বাস্থ্যৰ অনেক উপায়

মন দিলে ঘৰতে বহুতখিনি পায়

ঢেকীয়া মানিমুনি নৰসিংহ কচু আদি হাততে জানো নাপাই

আমলখী মধুৰি বাৰীৰ শাকমুঠী গৰ্ভৱতী প্ৰসূতিৰ পুষ্টিত সহায়

এনিমিয়াৰপৰা সাৰিবলে হাত চৰকাৰী আঁচনিয়ে দেখুৱাব বাট

ছমাহলৈ মাতৃদুগ্ধ সৰ্বোত্তম আহাৰ তাৰপিচে দিবা শিশুক প্ৰথম আহাৰ

খেলাধুলাৰ মাজতেই সুশিক্ষা দিবা ছবছৰলৈ শিশুটিৰ তুমি বিকাশত মন দিবা

মাৰাত্মক বেমাৰত বিচাৰি অৱসান

চৰকাৰী টিকাকৰনলেও দিবা ধ্যান

সময়ে সময়ে শিশুৰ ওজন জুখিবা

অংগনবাড়ীতে সকলোবোৰ পাবা

অংগনবাড়ীতে সকলোবোৰ পাবা

অংগনবাড়ীতে সকলোবোৰ পাবা